**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-11-2024 **Time :** 1800 Hrs

***Assamese Evening Bulletin***

ৰাজ্যৰ বঙাইগাঁও, চামগুৰি, বিহালী, চিদলী আৰু ধলাই বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ভোটগ্ৰহণ আজি বিয়লি ৫ বজাত সামৰণি পৰে। অৱশ্যে কেতবোৰ ভোটগ্ৰহণ কেন্দ্ৰৰ চৌহদৰ ভিতৰত প্ৰৱেশ কৰা ভোটদাতা ৰাইজৰ সুবিধাৰ বাবে কিছু দেৰিলৈকে ভোটগ্ৰহণ চলি আছে। চামগুৰি আৰু বিহালী সমষ্টিৰ কেতবোৰ অঞ্চলত দুষ্কৃতিকাৰীৰ দ্বাৰা আক্ৰমণ-প্ৰত্যাক্ৰমণৰ ঘটনা সংঘটিত হয় যদিও এইসমূহে ভোটগ্ৰহণত কোনো প্ৰভাৱ পেলাব নোৱাৰিলে বুলি আমাৰ সংবাদদাতাসকলে জনাইছে। এই ভোটগ্ৰহণৰ চূড়ান্ত হাৰ এতিয়াও জানিব পৰা হোৱা নাই যদিও চামগুৰি সমষ্টিত সৰ্বাধিক আৰু বঙাইগাঁও সমষ্টিত সৰ্বনিম্ন ভোটগ্ৰহণ হোৱা বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। নিৰ্বাচন বিভাগৰ সূত্ৰই প্ৰকাশ কৰা মতে বিয়লি ৫ বজালৈকে চামগুৰি সমষ্টিত ৭৮ দশমিক ১-০ শতাংশ, বিহালী সমষ্টিত ৭৩ দশমিক ৭-০ শতাংশ ধলাই সমষ্টিত ৭২ দশমিক ৪-০ শতাংশ, চিদলী সমষ্টিত ৭১ দশমিক ৫-০ শতাংশ আৰু বঙাইগাঁও সমষ্টিত ৬৯ দশমিক ০-৮ শতাংশ ভোটদান হৈছিলি।

চামগুৰি সমষ্টিৰ পশ্চিম লৰিৰমুখৰ কৰৈগুৰি মজলীয়া বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইন, সমষ্টিটোৰ কংগ্ৰেছ প্ৰাৰ্থী তানজিল হুছেইন আৰু তেওঁৰ মাতৃয়ে ভোটদান কৰে। আনহাতে, চিদলী বিধানসভা সমষ্টিৰ অন্তৰ্গত পশ্চিম ঠুনুকুবাৰী প্ৰাথমিক বিদ্যালয় ভোটগ্ৰহণ কেন্দ্ৰত সমষ্টিটোৰ বিপিএফ প্ৰাৰ্থী শুদ্ধ কুমাৰ বসুমতাৰীয়ে ভোটদান কৰে। ধলাই সমষ্টিৰ এটা ভোটগ্ৰহণ কেন্দ্ৰত আজি সাংসদ পৰিমল শুক্লবৈদ্যই ভোটদান কৰে। আজি এই পাঁচটা সমষ্টিৰ মুঠ এহেজাৰ ৭৮টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হৈছে। ইয়াৰ ভিতৰত চিদলীৰ ২৭৩টা, চামগুৰিৰ ১৯৭টা, বিহালীৰ ১৫৪টা আৰু ধলাইৰ ২০৮টা কেন্দ্ৰ আছে। আমাৰ আগৰ বাতৰিতেই কোৱা হৈছে যে সমষ্টিকেইটাৰ উপ-নিৰ্বাচনত মুঠ ৩৪ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। আজিৰ ভোটগ্ৰহণৰ জৰিয়তে ধলাই সমষ্টিৰ ৮ গৰাকী, চামগুৰিৰ ১১ গৰাকী, চিদলীৰ ৩ গৰাকী, বিহালীৰ ৪ গৰাকী আৰু বঙাইগাঁও সমষ্টিৰ ৮ গৰাকী প্ৰাৰ্থীৰ নিৰ্বাচনী ভাগ্য প্ৰায় ৯ লাখ ১২ হাজাৰ ভোটদাতাই নিৰূপণ কৰিব। এইসকলৰ মাজত ৪ লাখ ৫৫ হাজাৰ ১২৪ গৰাকী পুৰুষ আৰু ৪ লাখ ৫৬ হাজাৰ ৮৮২ গৰাকী মহিলা ভোটদাতাৰ লগতে ১৯ গৰাকী তৃতীয় লিংগৰ ভোটদাতাও আছে।

০০০০০০০০

অসম সাহিত্য সভাৰ ২০২৫-২০২৭ বৰ্ষৰ দুবছৰীয়া কাৰ্যকালৰ বাবে পাঁচ গৰাকী বিশিষ্ট সাহিত্যিকৰ নাম সভাপতি পদৰ নিৰ্বাচনৰ বাবে ঘোষণা কৰাৰ কেইঘণ্টামানৰ ভিতৰতে বিশিষ্ট সাহিত্যিক, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° ভীমকান্ত বৰুৱাই এই নিৰ্বাচনৰ দৌৰত তেওঁ নাই বুলি স্পষ্ট কৰি দিছে। আকাশবাণী গুৱাহাটীৰ বিশেষ সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত ড° বৰুৱাই কয়, যে অসম সাহিত্য সভাৰ কেইবাগৰাকীও প্ৰাক্তন আৰু বৰ্তমানৰ বিষয়ববীয়াই সভাৰ সভাপতিৰ পদৰ বাবে তেওঁ প্ৰতিদ্বন্দ্বিতাত নামিব লাগে বুলি প্ৰস্তাৱ দিছিল যদিও তেওঁ এই প্ৰস্তাৱ গ্ৰহণ কৰা নাছিল। তৎসত্বেও তেওঁৰ নাম উচ্চ ক্ষমতাসম্পন্ন সমিতিয়ে কালি ঘোষণা কৰা কাৰ্যত অধ্যাপক গৰাকীয়ে আশ্চৰ্য্য প্ৰকাশ কৰে।

০০০০০০

ৰাস মহোৎসৱ উদযাপনৰ বাবে উজনিৰ পৰা নামনিলৈ বিভিন্ন জিলাৰ প্ৰান্তে প্ৰান্তে ব্যাপক আয়োজন প্ৰায় সম্পূৰ্ণ হৈছে। সত্ৰভূমি মাজুলীৰ লগতে উজনি অসমৰ কেইবাখনো জিলা আৰু নামনি অসমৰ হাউলী-নলবাৰীকে ধৰি ভালেমান অঞ্চলত পৰম্পৰাগত ৰীতি-নীতিৰে আৰু আড়ম্বৰপূৰ্ণভাৱে ৰাস মহোৎসৱ উদযাপনৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ৰাজ্যখনৰ বিভিন্ন ৰাস উদযাপন সমিতিলৈ ২৫ হাজাৰ টকাকৈ আগবঢ়োৱাৰ বাবে চৰকাৰে গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি মাজুলীৰ ৰাস উদযাপন সমিতিসমূহলৈ অসম চৰকাৰৰ পৰ্যটন বিভাগে অতিৰিক্ত ৫০ হাজাৰ টকাকৈ আগবঢ়াইছে। আজি কমলাবাৰীৰ সাংস্কৃতিক প্ৰেক্ষাগৃহত মাজুলী জিলাৰ ৰাস সমিতিসমূহক মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই আৰ্থিক অনুদান বিতৰণ কৰে। তেওঁ প্ৰতিখন ৰাস উদযাপন সমিতিক পৰিচ্ছন্নতা বজাই ৰাখি এই উৎসৱ উদযাপন কৰিবলৈ আহ্বান জনায়। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে মাজুলীৰ ৰাসৰ বৈশিষ্ট্য সম্পৰ্কে উল্লেখ কৰি এই আধ্যাত্মিক উৎসৱৰ অনন্য সুন্দৰ উদযাপনে বহু পৰ্যটকক আকৰ্ষিত কৰে বুলি মন্তব্য কৰে।

শিৱসাগৰ নগৰৰ সমীপৰ ঢুলীয়া পাৰত পৰহিলৈৰ পৰা দুদিনীয়া কাৰ্যসূচীৰে আঞ্চলিক ভিত্তিত ৰাস মহোৎসৱৰ আয়োজন কৰা হৈছে। মহোৎসৱ উদযাপনৰ বাবে সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। এই উপলক্ষে স্থানীয় ৰংগমঞ্চত ৰাসৰ অন্তিম আখৰাত স্থানীয় শিল্পী, কলা-কুশলীসকল ব্যস্ত হৈ পৰা পৰিলক্ষিত হৈছে। ইয়াৰ উপৰি নগৰখনৰ সমীপৰ বেতবাৰী, জয়সাগৰ, কালুগাঁও, জাঁজী, ফুলপানী ছিগা, শলগুৰি, আখৈফুটীয়া আদি আঞ্চলতো ব্যাপক উৎসাহ-উদ্দীপনাৰ মাজেৰে ৰাইজে ৰাস উৎসৱৰ প্ৰস্তুতি চলাইছে।

নলবাৰীৰ হৰিমন্দিৰ প্ৰাংগণত পৰহিলৈ আৰম্ভ হ'বলগীয়া ৰাস মহোৎসৱ ২৭ নৱেম্বৰলৈ অনুষ্ঠিত হ'ব। সেই উপলক্ষে সমগ্ৰ নলবাৰী চহৰখন বিভিন্ন আলোকসজ্জাৰে সজাই-পৰাই তোলা হৈছে। এইবাৰ এই ৰাস মহোৎসৱত মৃণ্ময় মূৰ্তিৰ লগতে জীৱন্ত ৰাস আৰু পুতলা নাচৰ ৰাসো অনুষ্ঠিত হ'ব।

০০০০০০০

অসমৰ ক্ৰীড়া ইতিহাসৰ আটাইতকৈ বৃহৎ ক্ৰীড়া প্ৰতিযোগিতা খেল মহাৰণৰ দ্বিতীয় সংস্কৰণ আজিৰে পৰা ৰাজ্যজুৰি আৰম্ভ হৈছে। তৃণমূল পৰ্যায়ৰ ক্ৰীড়া প্ৰতিভাসমূহক বিকাশৰ মঞ্চ হিচাপে গ্ৰহণ কৰা এই প্ৰতিযোগিতাত ৭টা শাখাত প্ৰায় ৬৪ লাখ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰিছে। খেল মহাৰণ উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে এই পদক্ষেপে অসমৰ বিশাল ক্ৰীড়া সম্ভাৱনা বৃদ্ধিৰ লগতে ক্ৰীড়া সংস্কৃতি বিকাশত পুনৰ এক নতুনত্বৰ সূচনা কৰিব।

০০০০০

**সমাপ্ত**